**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-01-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰে ভেনিজুৱেলাৰ শেহতীয়া ঘটনাক্ৰমক লৈ উদ্বেগ প্ৰকাশ কৰিছে।

২। বাংলাদেশে অহা ডিচেম্বৰ পৰ্যন্ত ভাৰতৰ চৰকাৰ পৰিচালিত নুমলীগড় শোধনাগাৰ লিমিটেডৰ পৰা এহেজাৰ ৪৬২ কোটি টাকা ব্যয়েৰে ১ লাখ ৮০ হাজাৰ টন ডিজেল আমদানি কৰিব।

৩। গুৱাহাটীত কাইলৈৰ পৰা দুদিনীয়াকৈ কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰীসকলৰ সন্মিলন অনুষ্ঠিত হ'ব।

৪। আই চি চিয়ে আসন্ন টী-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ বাংলাদেশৰ খেলসমূহ ভাৰতৰ পৰিৱৰ্তে আন দেশত অনুষ্ঠিত কৰিবলৈ দেশখনে জনোৱা আবেদন প্ৰত্যাখ্যান কৰিছে।

আৰু

৫। ভাৰতৰ অনাহত সিঙে ব্ৰিটিছ্ জুনিয়ৰ অ'পেন স্কোৱাছ্ প্ৰতিযোগিতাৰ মহিলাৰ ১৯ বছৰ অনুৰ্ধ শাখাত ৰূপৰ পদক লাভ কৰিছে।

ooooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰে ভেনিজুৱেলাৰ শেহতীয়া ঘটনাক্ৰমক লৈ উদ্বেগ প্ৰকাশ কৰিছে আৰু সকলো পক্ষকে দেশখনৰ জনসাধাৰণৰ সুৰক্ষা আৰু কল্যাণ নিশ্চিত কৰাৰ বাবে কাম কৰিবলৈ আহ্বান জনাইছে। লাক্সেমবাৰ্গত আজি প্ৰবাসী ভাৰতীয়সকলৰ সৈতে মত বিনিময় কৰি ড° জয়শংকৰে এই কথা প্ৰকাশ কৰে। লাক্সেমবাৰ্গৰ সৈতে ভাৰতৰ বৰ্ধিত ৰাজনৈতিক, ব্যৱসায়িক আৰু প্ৰযুক্তিৰ সম্পৰ্কৰ কথা উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰবাসী ভাৰতীয়সকলে এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা আগবঢ়াই আহিছে। দশক দশক ধৰি সন্ত্ৰাসবাদৰ পৃষ্ঠপোষকতা কৰাৰ উদ্দেশ্যে পাকিস্তানে দেশখনত প্ৰশিক্ষণ শিবিৰ চলাই অহা কাৰ্যক তেওঁ গৰিহণা দিয়ে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে কয়, যে একাংশ দেশে কেৱল নিজৰ লাভৰ বাবে কাম কৰে আৰু ভাৰতক বিনামূলীয়াকৈ উপদেশ দিয়ে। অপাৰেচন সিন্দূৰৰ সময়তো স্থিতি একেধৰণৰ আছিল বুলি উল্লেখ কৰি ড° জয়শংকৰে কয়, যে সেইসময়ত একাংশ দেশে ভাৰত-পাকিস্তানৰ মাজৰ উত্তেজনাক লৈ উদ্বেগ প্ৰকাশ কৰিছিল যদিও সমস্যাসমূহ এৰাই চলিছিল। ইউৰোপীয় সংঘৰ সৈতে সম্পৰ্ক সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰতে ইউৰোপীয় সংঘৰ সৈতে সম্পৰ্ক সুদৃঢ় কৰিব বিচাৰে। লাক্সেমবাৰ্গে ব্ৰাছেলছ্‌ত যৌথ সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

ooooooooo

বাংলাদেশে অহা ডিচেম্বৰ পৰ্যন্ত ভাৰতৰ চৰকাৰ পৰিচালিত নুমলীগড় শোধনাগাৰ লিমিটেডৰ পৰা এহেজাৰ ৪৬২ কোটি টাকা ব্যয়েৰে ১ লাখ ৮০ হাজাৰ টন ডিজেল আমদানি কৰিব। বাংলাদেশৰ বিত্ত উপদেষ্টা চালেহুদ্দিন আহমেদৰ অধ্যক্ষতাত কালি ঢাকাত আয়োজিত চৰকাৰী ক্ৰয় উপদেষ্টা সমিতিৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। সূত্ৰই প্ৰকাশ কৰা মতে অইল ইণ্ডিয়া লিমিটেডৰ সহায়ক কোম্পানী নুমলীগড় শোধনাগাৰ লিমিটেডৰ সৈতে হোৱা চুক্তি অনুসৰি প্ৰতি বেৰেলত ৫ দশমিক ৫০ মাৰ্কিন ডলাৰেৰে ১১ কোটি ৯১৩ লাখ ডলাৰ আমদানি ব্যয় ধাৰ্য কৰা হৈছে। সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত শক্তি আৰু খনিজ সম্পদ বিভাগৰ উপদেষ্টা মহম্মদ ফৌজল কবিৰ খানে কয়, যে পূৰ্বৰ চৰকাৰৰ কাৰ্যকালত সম্পাদিত ১৫ বছৰীয়া দীৰ্ঘম্যাদী চুক্তিৰ অধীনত এই আমদানি কৰা হ'ব।

০০০০০০০০০

গুৱাহাটীত কাইলৈৰ পৰা দুদিনীয়াকৈ কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰীসকলৰ সন্মিলন অনুষ্ঠিত হ'ব। এই দুদিনীয়া সন্মিলনখনে নতুন নীতি, বিনিয়োগ, বহনক্ষমতা, ৰপ্তানী, আন্তঃগাঁঠনিৰ বিকাশ আৰু বস্ত্ৰ উদ্যোগৰ ক্ষেত্ৰত প্ৰযুক্তিগতভাৱে কৰিব পৰা উন্নয়নৰ দিশসমূহ সামৰি ল'ব। কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰীয়ে জানিবলৈ দিয়া মতে ২০৩০ চনৰ ভিতৰত ভাৰতে বস্ত্ৰ উদ্যোগৰ ক্ষেত্ৰত গোলকীয়ভাৱে সুকীয়া পৰিচয় গঢ়ি তোলাৰ উদ্দেশ্য আগত ৰাখি কাম কৰিবলৈ বিচাৰিছে।  ইয়াৰ সৈতে সংলগ্ন বিভিন্ন দিশ অৰ্থাৎ ৰপ্তানি, নিয়োগৰ সুবিধা প্ৰদান আদিকো সামৰি লোৱাৰ চেষ্টা কৰিছে। পাৰম্পৰিক বোৱা কটাৰ বিকাশ আৰু উদ্ভাৱনি বিষয়ৰে অনুষ্ঠিত হ'বলগীয়া এই সন্মিলনখনত দেশৰ বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মন্ত্ৰীসকলে অংশগ্ৰহণ কৰিব।

০০০০০০০০০

ভাৰতীয় মহাকাশ গৱেষণা প্ৰতিষ্ঠান ইছৰোই অহা ১২ জানুৱাৰী তাৰিখে PSLV C62 অভিযানৰ শুভাৰম্ভ কৰিব। সংবাদ মাধ্যমৰ এটা পোষ্টৰ জৰিয়তে ইছৰোই জনাইছে যে অন্ধ্ৰ প্ৰদেশৰ শ্ৰী হৰি কোটাৰ ছটিশ ধৱন মহাকাশ কেন্দ্ৰৰ পৰা পুৱা ১০ বাজি ১৭ মিনিটত উপগ্ৰহটো মহাকাশলৈ উৎক্ষেপণ কৰা হ'ব। উল্লেখযোগ্য যে পৃথিৱীক নিৰিক্ষণ কৰা মুখ্য পেল'ড উপগ্ৰহ EOS-N1ৰ আধাৰত এই অভিযানৰ পৰিকল্পনা কৰা হৈছিল।

০০০০০০০০০

জম্মু-কাশ্মীৰৰ ৰাজ্যপাল মনোজ সিনহাই আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত অহা ১০ জানুৱাৰীৰ পৰা ১২ জানুৱাৰীলৈ অনুষ্ঠিত হ'বলগীয়া জম্মু-কাশ্মীৰৰ ২৯ সংখ্যক বিকশিত ভাৰত যুৱ নেতাসকলৰ ৰাষ্ট্ৰীয় যুৱ মহোৎসৱৰ উদ্বোধনি অনুষ্ঠানৰ ভাৰ্চুৱেল ব্যৱস্থাৰে শুভ উদ্বোধন কৰিব। উল্লেখযোগ্য যে জম্মু-কাশ্মীৰৰ ৬৩ জন প্ৰতিনিধিয়ে দিল্লীত অনুষ্ঠিত হ'বলগীয়া এই মহোৎসৱত অংশগ্ৰহণ কৰিব। আকাশবাণীৰ জম্মুৰ সংবাদদাতাই জনোৱা মতে ৰাজ্যপালজনে এই যুৱ নেতাসকলৰ সৈতে বিভিন্ন বিষয় সম্পৰ্কে আলোচনা কৰিব। উল্লেখযোগ্য যে স্বামী বিবেকানন্দৰ জয়ন্তীৰ সৈতে সংগতি ৰাখি বিকশিত ভাৰতৰ অন্তৰ্গত সাংস্কৃতিক আৰু আন প্ৰত্যাহ্বানমূলক কাৰ্যৰ অন্তত এই প্ৰতিযোগীসকলক নিৰ্বাচিত কৰা হৈছিল।

০০০০০০০০০

স্থলসেনাৰ মুৰববী জেনেৰেল উপেন্দ্ৰ দ্বিবেদী আজি দুদিনীয়া ভ্ৰমণসূচীৰে শ্ৰীলংকাত উপস্থিত হয়। দুয়ো দেশৰ মাজত প্ৰতিৰক্ষা আৰু সামৰিক সহযোগিতা সুদৃঢ় কৰাই এই ভ্ৰমণৰ মূল উদ্দেশ্য। ভ্ৰমণকালত শ্ৰী দ্বিবেদীয়ে শ্ৰীলংকাৰ সেনা বাহিনীৰ কামাণ্ডাৰ, প্ৰতিৰক্ষা উপ-মন্ত্ৰী আৰু প্ৰতিৰক্ষা সচিবসহ জ্যেষ্ঠ

সামৰিক বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হ'ব। বৈঠকত প্ৰশিক্ষণ বিষয়ক সহযোগিতা, সামৰ্থ্য বৃদ্ধি আৰু আঞ্চলিক সুৰক্ষাৰ দৰে পাৰস্পৰিক স্বাৰ্থজড়িত বিষয়সমূহে স্থান লাভ কৰিব। শ্ৰী দ্বিবেদীয়ে লগতে প্ৰতিৰক্ষা সেৱা কামাণ্ড আৰু পদাদিধাকাৰী মহাবিদ্যালয়ৰ বিষয়াসকলক উদ্দেশ্যি ভাষণ দিব আৰু বটালাস্থিত সেনা যুদ্ধ মহাবিদ্যালয়ত বিষয়া আৰু প্ৰশিক্ষাৰ্থীসকলৰ সৈতে মত বিনিময় কৰিব।

০০০০০০০০০

ভাৰত শক্তি সপ্তাহ অহা ২৭ জানুৱাৰীৰ পৰা গোৱাত অনুষ্ঠিত হ'ব। এই চাৰিদিনীয়া অনুষ্ঠানত চৰকাৰী বিষয়া, উদ্যোগ জগতৰ কাণ্ডাৰী আৰু উদ্ভাৱকসকলে নিৰাপদ, স্থায়ী আৰু বহনসাধ্য শক্তি ভৱিষ্যতৰ প্ৰসাৰৰ চেষ্টা চলাব। পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, এই অনুষ্ঠানত শক্তি সুৰক্ষা সুদৃঢ় কৰা, বিনিয়োগৰ প্ৰসাৰ আৰু কাৰ্বন নিৰ্গমন কম কৰাৰ বাবে ব্যৱহাৰিক তথা ব্যাপক উপায় বিকশাই তোলাত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব। আমেৰিকা, ইউৰোপ, মধ্য প্ৰাচ্য, আফ্ৰিকা আৰু এছিয়া-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ প্ৰতিনিধিসকলে অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে। আন্তঃৰাষ্ট্ৰীয় শক্তি সংস্থাৰ বিশ্ব শক্তি দৃষ্টিভংগী-২০২৫ অনুসৰি, অকল ভাৰততে ২০৫০ চনলৈ শক্তি চাহিদা ২৩ শতাংশৰো অধিক বৃদ্ধি পাব। ভাৰতে দীৰ্ঘকালীন শক্তি সুৰক্ষা বৃদ্ধি কৰাৰ বাবে ঘৰুৱা অন্বেষণ আৰু আন্তঃগাঁথনি সুদৃঢ়কৰণৰ কাম অব্যাহত ৰাখিছে।

০০০০০০০০

মৰিছাছৰ ৰাষ্ট্ৰপতি ধৰমবীৰ গখুলে আজি তিৰুমালাৰ শ্ৰী ভেংকটেশ্বৰা স্বামী মন্দিৰ দৰ্শন কৰে। মন্দিৰৰ পৰম্পৰা ৰক্ষা কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰথমে শ্ৰী বৰাহ স্বামীৰ দৰ্শন কৰি মূল শ্ৰী ভেংকটেশ্বৰা মন্দিৰৰ দিশে অগ্ৰসৰ হৈ পূজা-অৰ্চনা কৰে। উল্লেখযোগ্য যে অন্ধ্ৰপ্ৰদেশৰ স্থায়ী নিধি মন্ত্ৰী এ ৰাম নাৰায়না ৰেড্ডীৰ লগতে বহু কেইজন বিশিষ্ট ব্যক্তিয়ে তেওঁক সংগ দিয়ে।

০০০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি দিল্লী, হাৰিয়ানা, চণ্ডীগড়, পাঞ্জাব, উত্তৰ প্ৰদেশ আৰু পূব ৰাজস্থানত ঘন কুঁৱলী পৰাৰ আশংকা ব্যক্ত কৰি অ'ৰেঞ্জ সতৰ্কতা জাৰি কৰিছে। এই সময়ছোৱাত অসমসহ উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্য, পশ্চিমবংগ, মধ্যপ্ৰদেশ, বিহাৰ, উত্তৰাখণ্ড, হিমাচল প্ৰদেশ, পশ্চিম ৰাজস্থান আৰু জম্মু-কাশ্মীৰৰ ঠাই বিশেষে ঘন কুঁৱলী পৰিব পাৰে বুলি বতৰ বিজ্ঞান বিভাগে আগলি বতৰা দিছে।

ঘন কুঁৱলীৰ বাবে দেশৰ বিভিন্ন অংশত ৰে'লগাড়ী চলাচল ব্যাহত হৈছে। ভাৰতীয় ৰে'লৱেই প্ৰকাশ কৰা মতে দৃশ্যমানতা হ্ৰাস পোৱাৰ বাবে দিল্লী অভিমুখী ৭০ খনৰো অধিক ৰে'লগাড়ী নিৰ্ধাৰিত সময়তকৈ দুঘণ্টা পলমকৈ চলি আছে। যাত্ৰীসকলক ষ্টেচনত উপস্থিত হোৱাৰ পূৰ্বে ৰে'লগাড়ীৰ শেহতীয়া অৱস্থানৰ বিষয়ে অৱগত হ'বলৈ কোৱা হৈছে।

০০০০০০০০০

আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদ – আই চি চিয়ে আসন্ন টী-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ বাংলাদেশৰ খেলসমূহ ভাৰতৰ পৰিৱৰ্তে আন দেশত অনুষ্ঠিত কৰিবলৈ বাংলাদেশ ক্ৰিকেট পৰিষদে জনোৱা আবেদন প্ৰত্যাখ্যান কৰিছে। বাংলাদেশ ক্ৰিকেট পৰিষদে সুৰক্ষাজনিত কাৰণৰ দোহাই দি টী-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ বাবে ভাৰতলৈ আহিবলৈ অসন্মতি প্ৰকাশ কৰিছে। বাংলাদেশত হিন্দু লোকৰ হত্যাৰ বিৰুদ্ধে দেশখনৰ ভালেমান অংশত হৈ থকা প্ৰতিবাদৰ বাবে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ, বি চি চি আই-এ মুস্তাফিজুৰ ৰহমানক আই পি এলৰ পৰা অব্যাহতি দিছে। আই চি চি আৰু

বাংলাদেশ ক্রিকেট পৰিষদৰ মাজত ভাৰ্চুৱেল ব্যৱস্থাৰে হোৱা বৈঠকত আন্তঃৰাষ্ট্ৰীয় ক্রিকেট পৰিষদে অন্তিম সময়ত খেল স্থানান্তৰিত কৰাৰ বাবে বাংলাদেশৰ কোনো বৈধ কাৰণ নাই, কিয়নো ভাৰতীয় ক্রিকেট নিয়ন্ত্রণ পৰিষদে বাংলাদেশ দলৰ বাবে ৰাষ্ট্ৰপ্ৰধানৰ সমান সুৰক্ষাৰ ব্যৱস্থা কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। অৱশ্যে বাংলাদেশ ক্রিকেট পৰিষদে আন্তঃৰাষ্ট্ৰীয় ক্রিকেট পৰিষদৰ পৰা কোনোধৰণৰ আনুষ্ঠানিক নিশ্চিতি লাভ কৰাৰ কথা অস্বীকাৰ কৰিছে।

০০০০০০০০০

ভাৰতৰ অনাহত সিঙে ব্ৰিটিছ জুনিয়ৰ অ'পেন স্কোৱাছ প্ৰতিযোগিতাৰ মহিলাৰ ১৯ বছৰ অনুৰ্ধ শাখাত ৰূপৰ পদক লাভ কৰিছে। খেলুৱৈগৰাকী আজি ইংলেণ্ডৰ বাৰ্মিংহাম বিশ্ববিদ্যালয়ত অনুষ্ঠিত ফাইনেলত ফ্ৰান্সৰ ল'ৰেন বাল্টায়নৰ হাতত পৰাজিত হৈ ৰূপৰ পদকতে সন্তুষ্ট থাকিবলগীয়া হয়।

০০০০০০০০০

সমাপ্ত